DIAMOND JUBILEE YEAR
2023-24

# দীপ্তাভা

স্মৃতিগ্ৰন্থ ঃ হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপন

## জৱাহৰলাল নেহৰু মহাবিদ্যালয়

বকো ঃ কামৰূপ ঃ অসম

২০২৩-২৪ ইংৰাজী বৰ্ষ



**PRAGNABHA** : A souvenir of the Diamond Jubilee Celebration, Jawaharlal Nehru College, Boko, Kamrup, Assam, edited by Dr. Dipankar Sarma and published by Dr. Tapan Dutta, General Secretary, Diamond Jubilee Celebration Committee.

Date of Publication : 7 th November, 2024

© Jawaharlal Nehru College, Boko

ISBN : 978-81-979670-4-7

Editorial Board : ADVISER
Dr. L.C. Rabha
Dr. Khirod Kr. Thakuria
CHAIRMAN
Dr. Tapan Dutta
CHIEF EDITOR
Dr. Dipankar Sarma
EDITORS
Mrs. Manjira Sarma
Dr. Alimpa Bhuyan Baruah
Gayatri Khargharia
Bapukan Saikia

MEMBERS
Ansuma Kh. Bodosa
Dr. Habibur Rahman
Mrs. Ratnamala Sarma
Miss. Bhairabi Baro
Mr. Bashistha Dev Sarma

Cover Page Design : Editorial Board

Price: ₹ 500/-

Printed at : Maliyata Offset Press, Mirza

ISBN - 978-81-979670-4-7

# অসমৰ জীৱ-বৈচিত্ৰ্য আৰু অস্থানীয় উদ্ভিদ

নীলাক্ষী ৰামছিয়াৰী

জীৱ বৈচিত্ৰ্যই বিস্তৃত ৰূপত কোনো এটা অঞ্চলৰ সকলো প্ৰকাৰৰ পৰিস্থিতি তন্ত্ৰ তথা অণুজীৱ, উদ্ভিদ, প্ৰাণী আদিৰ প্ৰজাতি সমূহৰ লগতে জীৱদেহ গঠনৰ অণু-পৰমাণু আদি সকলোবোৰৰ বিভিন্নতাক বুজায়। ইয়াৰ ইংৰাজী প্ৰতিশব্দ বায়'ডাইভাৰচিটি, দুটা গ্ৰীক শব্দৰ প্ৰতিফলন — "বায়স" আৰু "ডাইভাৰচিটা" যাৰ অৰ্থ একাদিক্ৰমে "জীৱ" আৰু "বিচিত্ৰতা"। অঞ্চল এটাৰ প্ৰাকৃতিক পৰিৱেশৰ ভাৰসাম্যতাৰ নিয়ন্ত্ৰক হ'ল সেই অঞ্চলৰ জীৱ-বৈচিত্ৰ্য।

বৰ লুইত সহিতে বৰাক উপত্যকাই আৱৰি ৰখা ভাৰতৰ উত্তৰ- পূৰ্বাঞ্চলৰ এখন অন্যতম ৰাজ্য অসম। পূৰ্ব- হিমালয় জৈৱ-বৈচিত্ৰ্য হটস্পটৰ অন্তৰ্গত অসমৰ জলবায়ু তথা জীৱ-বৈচিত্ৰ্য একক আৰু অনন্য। ইয়াৰ প্ৰতিটো দিশেই নদ, নদী, পাহাৰ-পৰ্বত, খাল- বিল, জলাহ- পিটনি আদিৰে সমৃদ্ধ, যি এক অপৰূপ প্ৰাকৃতিক সৌন্দৰ্যৰ বাহক । গ্ৰীষ্ম প্ৰধান আদ্ৰ চিৰহৰিৎ অৰণ্য, গ্ৰীষ্ম প্ৰধান অৰ্ধ চিৰহৰিৎ অৰণ্যকে ধৰি তৃণভূমি আৰু সমভূমি অৰণ্য আদি বিভিন্ন প্ৰকাৰৰ বনাঞ্চলেৰে অসম ভৰ-পূৰ। অসম পৃথিৱী বিখ্যাত এশিঙীয়া গড়, হলৌ বান্দৰ, সোণালী বান্দৰ, নল গাহৰি আদি ভিন্ন প্ৰজাতিৰ বন্য প্ৰাণী, চৰাই- চিৰিকটিৰ ৰম্যভূমি। ইয়াৰ ঘন হাবি- বননি, নল- খাগৰি বিভিন্ন প্ৰকাৰৰ স্থানীয়-অস্থানীয় গছ-গছনি, অৰ্কিড, ঘাঁ-বন, তৰু-লতাৰে সংপৃক্ত। চাহ খেতিৰ বাবে বিখ্যাত অসমৰ জাতীয় গছ, ফল, ফুল একাদিক্ৰমে হলং (Dipterocarpus macrocarpus), কাজি নেমু (Citrus limon) আৰু কপৌ ফুল (Rhynchostylis retusa)। ইয়াৰোপৰি ভিন্ন ঔষধি গুণ সম্পন্ন উদ্ভিদ প্ৰজাতিৰেও অসম এখন চহকী ৰাজ্য। তুলসী, মহানিম, সৰ্পগন্ধা, অশ্বগন্ধা, মহাভৃঙ্গৰাজ, শতমূল, আদা, হালধি, মানিমুনি, ভেদাইলতা আদি বিভিন্ন ঔষধি উদ্ভিদ সমূহ আয়ুৰ্বেদিক, হোমিওপ্যাথিক তথা আধুনিক চিকিৎসা বিজ্ঞানতো ব্যৱহৃত হৈ আহিছে।

অস্থানীয় উদ্ভিদ (non-native plant) সমূহক invasive, exotic তথা allien species হিচাপেও জনা যায়। যিবোৰ উদ্ভিদ কোনো উদ্দেশ্য প্ৰণোদিত বা উদ্দেশ্যহীনভাৱে নিজৰ উৎপত্তি স্থলৰ পৰা আনি আন এখন ঠাইত স্থাপন কৰা হয় তেনেবোৰ উদ্ভিদক সাধাৰণতে সেই ঠাইখনৰ অস্থানীয় উদ্ভিদ বুলি কোৱা হয়। অসমতো এনে বহু উদ্ভিদ পোৱা যায় যিবোৰ সময়ৰ কোনো এটা কালছোৱাত অসমলৈ আমদানি কৰা হৈছিল। এই উদ্ভিদ সমূহ অসম তথা ভাৰতৰ স্থানীয় উদ্ভিদ নহয়। অৰ্থাৎ ইয়াৰ উৎপত্তি স্থান বা মূল আন কোনো ৰাজ্য, দেশ বা মহাদেশ হ'ব পাৰে। গৱেষক তথা উদ্ভিদবিদ সকলৰ মতে এই উদ্ভিদ সমূহ কোনো বিশেষ কাৰণবশতঃ বা উদ্দেশ্য বিহীন ভাৱে অসমলৈ অনা হৈছিল। উদাহৰণস্বৰূপে পানী-মেটেকা ( Eichhornia crassipes) হৈছে ভাৰতলৈ ব্ৰিটিছৰ উপহাৰ। ১৮ শতিকাৰ শেষৰ ফালে প্ৰথম ব্ৰিটিছ গভৰ্নৰ- জেনেৰেলৰ পত্নী লেডি হাষ্টিংছে ইয়াৰ মনোমোহা ফুলৰ বাবে সৌন্দয্যবোৰ্ধক হিচাপে ইয়াৰ উৎপত্তি স্থল চাউথ আমেৰিকাৰ পৰা ভাৰতলৈ আনিছিল বুলি উল্লেখ আছে।